**T MASS**

# 2018

## ASSAMESE

(MODERN INDIAN LANGUAGE)

**(NEW & OLD COURSE)**

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×7 = 7 |
| *Q. No. 2 carries 2 marks each* | 2×7 = 14 |
| *Q. No. 3 carries 4 marks (any one)* | 4×1 = 4 |
| *Q. No. 4 carries 5 marks each* | 5×2 = 10 |
| *Q. No. 5 carries 1 mark each* | 1×5 = 5 |
| *Q. No. 6 carries 2 marks each* | 2×5 = 10 |
| *Q. No. 7 carries 4 marks (any one)* | 4×1 = 4 |
| *Q. No. 8 carries 3 mark each* | 3×2 = 6 |
| *Q. No. 9 carries 1 mark each* | 1×2 = 2 |
| *Q. No. 10 carries 2 marks each* | 2×2 = 4 |
| *Q. No. 11 carries 4 marks (any one)* | 4×1 = 4 |
| *Q. No. 12 carries 7 marks (any one)* | 7×1 = 7 |
| *Q. No. 13 carries 1 mark each* | 1×5 = 5 |
| *Q. No. 14 carries 2 marks each* | 2×4 = 8 |
| *Q. No. 15 carries 10 marks (any one)* | 10×1 = 10 |
| | Total =100 |

১। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ 	১×

(ক) 'মাথা পোট' শব্দৰ অৰ্থ কি?

(খ) 'ওমৰ তীৰ্থ' পুথিখনি কোনখন মূল পুথিৰ ভাৱানুবাদ?

(গ) মিলাৰামৰ মিতিৰ বা কুটুম লেখত কেইজন?

(ঘ) দেৱাসুৰ লগলাগি কিহৰ কাৰণে সমুদ্ৰ-মন্থন কৰিছিল?

(ঙ) 'মিনতি'ৰ অৰ্থ কি?

(চ) আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ কি আছিল?

(ছ) কটন কলেজৰ প্ৰথমগৰাকী অসমীয়া অধ্যাপক আৰু অধ্যক্ষ কোন আছিল?

(জ) 'বৈৰাগ্য' শব্দৰ অৰ্থ কি?

(ঝ) শীলভদ্ৰই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ঞ) 'চিত্ৰবন' ষ্টুডিঅ' কোনে নিৰ্মাণ কৰিছিল?

(ট) বসন্ত ৰোগ হোৱাৰ বিজ্ঞান-সম্মত কাৰণ কি?

২। *যিকোনো সাতোটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ 	৭×

(ক) বেজবৰুৱাই উল্লেখ কৰা 'মাজিউ' আৰু 'জ্ঞান' কোন আছিল?

(খ) 'বাদুলীসাঁচাৰ' আৰু 'গলাগপা' শব্দদুটাৰ অৰ্থ কি?

(গ) কথা-কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

(ঘ) উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ 'সম্পাদিত গ্ৰন্থ' দুখনৰ নাম লিখা।

(ঙ) পুৰণি অসমীয়া সচিত্ৰ পুথি দুখনৰ নাম লিখা।

(চ) 'অতিথি দেৱো ভৱ' মানে কি?

(ছ) শীলভদ্ৰই লাভ কৰা দুটা বঁটাৰ নাম লিখা।

(জ) জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা কথাছবি দুখনৰ নাম লিখা।

(ঝ) 'পদাৰ্থ কণা-ত্বৰক' কাক বোলে?

(ঞ) 'সৰ্বঢাক মন্ত্ৰ' কি?

(ট) ড° ভৱেন্দ্ৰনাথ শইকীয়াই লাভ কৰা দুটি বঁটাৰ নাম লিখা।

*যিকোনো এটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ 	৪×১=৪

(ক) 'মগনিয়াৰ' কথা-কবিতাটিৰ মূলভাৱ তোমাৰ ভাষাত লিখা।

(খ) একাগ্ৰতা গুণে আনন্দৰাম বৰুৱাক কেনেধৰণে সহায় কৰিছিল?

(গ) 'চাৰি আশ্ৰম' বুলিলে কি বুজা? চমুকৈ ব্যাখ্যা কৰা।

(ঘ) বৈজ্ঞানিক মানসিকতা মানে কি? বুজাই লিখা।

*যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ 	৫×২=১০

(ক) 'ডিবৰুগড়ত গোটাচেৰেক কথাই মোক বৰ সন্তোষ দিছিল।' — কোনবোৰ কথাই সন্তোষ দিছিল লিখা।

(খ) মিলাৰামে কি কি কাৰণত আত্মজীৱনী লিখিবলৈ লৈছিল?

(গ) হস্তিবিদ্যাৰ্ণৱ পুথিৰ বিষয়বস্তুৰ এটি আভাস দিয়া।

(ঘ) 'চিঠি' গল্পটিৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰা।

(ঙ) অসমীয়া চলচ্চিত্ৰ শিল্পলৈ ড° ভূপেন হাজৰিকাৰ অৱদান সম্পৰ্কে লিখা।

(চ) বাতৰিকাকত আৰু আলোচনীৰ পৰা কেনেদৰে জ্ঞান লাভ কৰিব পাৰি?

(ছ) 'মিনতি' গল্পটিৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰা।

৫। *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১× ৫

(ক) মাধৱদেৱৰ জন্ম ক'ত হৈছিল?

(খ) 'জ্ঞানমালিনী'ৰ কবি কোন?

(গ) কিমান চনত নলিনীবালা দেৱীয়ে 'পদ্মশ্ৰী' উপাধি লাভ কৰিছিল?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনিৰ নাম কি?

(ঙ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটিত উল্লেখ থকা বিশ্বশিল্পীগৰাকী কোন?

(চ) কেশৱ মহন্তৰ দ্বাৰা ৰচিত এখন গীতৰ পুথিৰ নাম লিখা।

(ছ) 'উভতি নহাৰ কবিতা'টি কোন শ্ৰেণীৰ কবিতা?

(জ) 'কৰুণতম' কবিতাটো কোনখন কাব্যপুথিৰ পৰা লোৱা হৈছে?

৬। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২× ৫=

(ক) বৰগীত কাক বোলে?

(খ) মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

(গ) নলিনীবালা দেৱীৰ জীৱনীমূলক গ্ৰন্থ দুখনৰ নাম লিখা।

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম কিমান চনত আৰু ক'ত হৈছিল?

(ঙ) কাঠমিস্ত্ৰীয়ে ব্যৱহাৰ কৰা দুবিধ সঁজুলিৰ নাম লিখা।

(চ) 'ডাওৰি' আৰু 'তৰা-জৰী' শব্দ-দুটাৰ অৰ্থ লিখা।

(ছ) নৰকান্ত বৰুৱাৰ দুখন শিশু উপযোগী গ্ৰন্থৰ নাম লিখা।

(জ) নিৰ্মলপ্ৰভা বৰদলৈৰ দুখন গীতৰ পুথিৰ নাম লিখা।



। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ *(যিকোনো এফাঁকি)* ৪× ১=৪

(ক) তেৰেঁ কাম তেৰেঁ কৰ্মী তেৰেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেৰেঁ বিশ্বখনিকৰ।

(খ) আঘোণৰ আকাশতে উৰুলিৰ ৰাগি আছে,
ৰাগি আছে,
আঘোণৰ আকাশত ৰাগি আৰু ৰাগি।

(গ) মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত মৈ যাম
ক'ত ??

*যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ৩× ২=৬

(ক) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত 'বৰগীত'টিৰ মাজেৰে শিশুকৃষ্ণৰ চৰিত্ৰ কেনেদৰে প্ৰকাশ পাইছে?

(খ) নলিনীবালাদেৱীৰ কবিতাৰ মাজেৰে মূলতঃ কি ভাৱধাৰা প্ৰকাশ পাইছে, তোমাৰ পাঠ্য কবিতাৰ আধাৰত বিচাৰ কৰা।

(গ) 'ষোড়শোপচাৰ' বুলিলে কি কি উপচাৰৰ কথা বুজায়?

(ঘ) কাঠমিস্ত্ৰীয়ে কাৰ বাবে কাম কৰে বুলি কবিতাটিত কোৱা হৈছে?

(ঙ) নৰকান্ত বৰুৱাৰ তিনিখন কবিতা পুথিৰ নাম লিখা।

*যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১× ২=২

(ক) 'সত্যম্ শিৱম্ সুন্দৰম্' কথাষাৰৰ অৰ্থ কি?

(খ) ভাৰতবৰ্ষৰ প্ৰাচীন শিক্ষা-ব্যৱস্থাৰ মূল আধাৰ কি আছিল?

(গ) 'দিবাস্বপ্ন' বুলিলে কি বুজা?

১০। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ২×২=

(ক) ভাৰতীয় দৰ্শনে মূল্যবোধক কি কি শ্ৰেণীত ভাগ কৰিছে?

(খ) কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা চাৰিটা মৌলিক বিষয় ক়ি কি?

(গ) সহজ অৰ্থত 'মূল্যবোধ' মানে কি?

১১। *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ৪×১=

(ক) চিৰন্তন মূল্যবোধ সম্পৰ্কে চমুকৈ লিখা।

(খ) 'বীৰপূজা' সম্পৰ্কে চমুকৈ লিখা।

১২। (ক) ক্ৰিয়া-বিভক্তি কাক বোলে? পুৰুষ অনুযায়ী উদাহৰণসহ ক্ৰিয়া-বিভক্তিৰ প্ৰয়োগ দেখুওৱা ২+৫=

*অথবা*

(খ) সম্বন্ধ বাচক বিশেষ্যৰ পুৰুষবাচক বিভক্তি কাক বোলে? অসমীয়া ভাষাৰ এই বিভক্তিবোৰ প্ৰয়োগ দেখুওৱা। ২+৫=

১৩। তলৰ *যিকোনো পাঁচোটা* শব্দৰ প্ৰত্যয় ভাঙি শব্দবোৰত কি প্ৰত্যয় যোগ হৈছে লিখা ঃ ১×৫=

অনাহক, আওবাট, শোৱন, নাচনি, কান্দুৰা, ধৰুৱা, খেতি।

১৪। তলত দিয়া জতুৱা ঠাঁচবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য-ৰচনা কৰা ঃ *(যিকোনো চাৰিটা)* ২×৪=

কপাল ফুলা, কাণে কাণ মাৰি, গা টঙা, চকু চহৰা, উৰুলি পুঙা, মুখ বজোৱা।



১৫। তলৰ *যিকোনো এটি* বিষয় লৈ এখন ৰচনা লিখা ঃ ১০

(ক) **মানৱ সমাজলৈ বিজ্ঞানৰ অৱদান**

(আৰম্ভণি — মানৱ সমাজ মানে কি — বিজ্ঞানৰ অবদানসমূহ — বিজ্ঞানৰ আবিষ্কাৰ — বিজ্ঞানৰ অপকাৰ — বৈজ্ঞানিক দায়িত্ব — সামৰণি)

(খ) **পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ**

(আৰম্ভণি — প্ৰদূষণ মানে কি — বায়ু প্ৰদূষণ — মাটি প্ৰদূষণ — জল প্ৰদূষণ — সামাজিক প্ৰদূষণ — অন্যান্য প্ৰদূষণ — প্ৰদূষণৰ প্ৰতিকাৰ — সামৰণি)

(গ) **নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা**

(আৰম্ভণি — শিক্ষা আৰু নাৰীসমাজ — নাৰী আৰু মানৱ সমাজ — নাৰী শিক্ষাৰ প্ৰয়োজন — নাৰী শিক্ষা প্ৰসাৰৰ বাবে পৰামৰ্শ — সামৰণি)

(ঘ) **তোমাৰ প্ৰিয় গ্ৰন্থ**

(আৰম্ভণি — গ্ৰন্থখনৰ পৰিচয়মূলক বিৱৰণ — গ্ৰন্থকাৰৰ চমু পৰিচয় — গ্ৰন্থৰ বিষয়বস্তু — ৰচনাৰীতি — ভাললগাৰ কাৰণ — সামৰণি)

—×—